১৯৪৬ চনতে প্ৰকাশ পোৱা “পৰশমণি” নামৰ সংকলনটোৱেই মালিকৰ প্ৰথম গল্প সংকলন।[১৯] এই সংকলন প্ৰকাশৰ সময়টোৱেই ইঙ্গিত দিয়ে যে, সংকলনটোত সন্নিবিষ্ট গল্পকেইটা ৰোমাণ্টিক যুগৰ শেষ আৰু যুদ্ধোত্তৰ বা ৰামধেনু যুগৰ সন্ধিক্ষণৰ ৰচনা। এই সংকলনৰে আন এটা প্ৰতিনিধিত্বমূলক গল্প কাঠফুলা।

---

১৮. Ellis, Havlock : Studies in the psychology of Sex, P. 365

১৯. মালিক, চৈয়দ আব্দুল ঃ দ্বিতীয় তাণ্ডৱণৰ কথা, পৰশমণি

কাঠফুলা গল্পৰ ৰচনাৰীতি, বিষয়-বস্তু, ভাৱবস্তু আৰু লেখকৰ দৃষ্টিভঙ্গী আৱাহন যুগৰ; কিন্তু সিয়ে হ'লেও কাঠফুলা গল্পৰ যোগেদিয়ে আব্দুল মালিক আৱাহন যুগৰ পৰা বহুখিনি আঁতৰি আহি পৰৱৰ্তী যুদ্ধোত্তৰ যুগৰ ভাৱমণ্ডলত সোমাব খুজিছিলহি। মনকৰিবলগীয়া যে, মালিকৰ কাঠফুলা গল্পটো ইতিপূৰ্বে আলোচিত প্ৰাণ পোৱাৰ পিছত গল্পতকৈও দীঘল। অথচ এই গল্পটো প্ৰাণ পোৱাৰ পিছত গল্পতকৈ বহুগুণে সফল গল্প। কাৰণ কাঠফুলা গল্পত অনাৱশ্যক বৰ্ণনা আৰু অনাৱশ্যক পৰিস্থিতি কিছুমানৰ সৃষ্টি কৰি গল্পটোক ভাৰাক্ৰান্ত কৰি তোলা নাই। মমতাজ নামৰ কাৰখানাৰ অতি সাধাৰণ শ্ৰমিক এজনে ৰাতি কামৰ পৰা ঘূৰি আহোঁতে বাটত নিৰাশ্ৰয়া ছোৱালী এজনী পাই তাৰ বাসস্থানলৈকে আনি আশ্ৰয় দিলে।[২০] দুয়োটা চৰিত্ৰই কেওকিছু নাইকিয়া নিঠৰুৱা চৰিত্ৰ। দিনটো কাৰখানাত কাম কৰি হোটেলত ভাত খাই উদাসী জীৱন যাপন কৰা মমতাজৰ অতি সৰু কোঠাটোত এখন অতি সাধাৰণ বিছনাৰ বাহিৰে বস্তু বুলিবলৈ একো নাই। তেনে এটা ঘৰতে বেদানাক আশ্ৰয় দি ৰাখিলে। লাহে লাহে চৰু-কেৰাহী গোটাই মমতাজ আৰু বেদানাই সৰু সংসাৰ এখন পাতি পেলালে। দেখাত দুয়ো স্বামী-স্ত্ৰীৰ দৰে; কিন্তু সম্পৰ্ক তেনে নহয়। পৱিত্ৰ প্ৰেমেৰে দুয়ো জীৱন যাপন কৰি থাকিল। মমজাতৰ একমাত্ৰ বিছনাখন বেদানাক এৰি দি সৰু কঠ এখনতে মমতাজ শোৱে। কিন্তু দুয়োৰে মাজত স্বামী-স্ত্ৰী সুলভ ভাৱ এটাই মাজে মাজে ক্ৰিয়া নকৰাও নহয়। বেদানাই সময় বুজি মনৰভাৱো প্ৰকাশ কৰে। কিন্তু মমতাজৰ মন ধীৰ আৰু স্থিৰ। সি যি নহওক — কিছু দিনৰ পিছত হঠাৎ মমতাজৰ অসুখ । মমতাজৰ অসুখৰ সুযোগতে এজন ডাক্তৰে মমতাজৰ ঘৰতে আহি চিকিৎসা কৰোঁতেই ডাক্তৰ আৰু বেদানাৰ মনৰ মিল হয়। বেদনাই কিন্তু কথাষাৰ মমতাজৰ ওচৰত প্ৰকাশ কৰিছিল। সি যি নহওক — এদিন মমতাজ কাৰখানাৰ পৰা ঘূৰি অহাৰ আগতেই ডাক্তৰৰ লগত বেদানা গুচি গ'ল।

মমতাজৰ ঘৰলৈ প্ৰথম দিনা বেদানাক লৈ অহাৰ পিছতে মমতাজে বেদনাৰ নামটো বেৰত লেখি থৈছিল। কাৰণ সি নামটো পাহৰি পাহৰি যায়। যি দিনা ডাক্তৰৰ লগত বেদনা গুচি গ'ল; সেইদিনা মমতাজে বেদানাৰ নামটো মোহাৰি পেলাবলৈ খুজিছিল; কিন্তু নোৱাৰিলে। গতিকে 'বেদানা' নামটোৰ পিছত 'নাই' শব্দটো লেখি পুৰাকৈ 'বেদানা নাই' কৰি পেলালে।

গল্পটোৰ মূল কথা এইখিনিয়েই। এইখিনি কথাকে গল্পকাৰে অতি দক্ষতাৰে পাঠকৰ অনুভূতিক দোলায়িত কৰি যোৱাকৈ বৰ্ণাইছে। বৰ্ণনা অতি কাব্যিক আৰু চিত্ৰধৰ্মী। সংক্ষেপে ক'বলৈ গ'লে — কাঠফুলা গল্পৰ বৰ্ণনা ভঙ্গীৰ কাব্যময় আৱিলতাই গল্পটোৰ শিল্পমূল্য। তদুপৰি কেন্দ্ৰস্থ ভাবৰ ঐক্য, পৰিস্থিতিৰ পৰিকল্পনা, পৰিণতিমুখী উৎকণ্ঠা,

২০. হেমবৰুৱাই "অসমীয়া সাহিত্য" আৰু "Assamese Literature" নামৰ কিতাপত নাৰী চৰিত্ৰ আৰু বেদনাক পুৰুষ চৰিত্ৰ বুলি এটা ডাঙৰ ভুল কৰি থৈছে।

ঘটনাৰ একমুখিতা আৰু নাটকীয় সামৰণি আদিৰ দিশত মালিকৰ কাঠফুলা এটা সাৰ্থক গল্প। চুটিগল্পত কাব্যধৰ্মী বৰ্ণনাই পাঠকৰ মনত কাব্যময় অনুভূতিৰ উদ্রেক কৰে আৰু চুটিগল্প তেতিয়াই উপাদেয় হৈ উঠে।[২১] মালিকৰ কাঠফুলা গল্পৰো কাব্যিক আবেদন পুষ্ট বৰ্ণনাৰ মাধুৰ্যই পাঠকৰ হৃদয়ানুভূতিত গভীৰ আবেদন এটাৰ সৃষ্টি কৰে।

কাঠফুলা গল্পৰ আটাইতকৈ উজ্জ্বল দিশটো হ'ল চৰিত্ৰৰ মনোবৈজ্ঞানিক বিশ্লেষণ। সাতাইশ বছৰমান বয়সৰ ডেকা মমতাজ আৰু গাভৰু বেদানাই বহুদিন ধৰি এটা সৰু জুপুৰি ঘৰত একেলগে থাকিলে। দুয়োৰে মনৰ মাজত স্বামী-স্ত্ৰী সুলভ ভাৱ এটাও গঢ়লৈ উঠিল। কিন্তু দুয়োৰে মাজত যৌন সম্পৰ্ক নাই। বেদানাই মাজে মাজে মনৰ গোপন বাসনা প্ৰকাশ কৰিব খোজে; মমতাজ নিৰ্বিকাৰ। প্ৰায় সাতাইশ বছৰীয়া চঞ্চল ডেকা এজনৰ এনে নিৰ্বিকাৰ ভূমিকা আপাততঃ অবিশ্বাস্য যেন লাগে। কিন্তু পৃথিৱীত ব্যতিক্ৰম ধৰণৰ মানুহো থাকিব পাৰে। মনঃস্তাত্ত্বিক ফ্ৰয়েডে কৈছে যে, যৌন বাসনাৰ তাড়ণা সকলো মানুহৰ একে নহয়।[২২] যৌন আকৰ্ষণৰ দিশত মমতাজ এনে ব্যতিক্ৰম ধৰণৰ চৰিত্ৰ।[২৩] বেদানাৰ প্ৰতি মমতাজৰ দুৰ্বাৰ আকৰ্ষণ আছে; কিন্তু পুৰুষ সুলভ যৌন বাসনাৰে বেদানাক মমতাজে গ্ৰহণ কৰা নাই। আনহাতে ডাক্তৰৰ লগত বেদানাৰ বিয়া হোৱাৰ কথা জনাৰ পিছত মমতাজৰ হৃদয় ভাগি-ছিগি থানবান হৈ গৈছে; অথচ বেদানাৰ ইচ্ছাত সন্মতি নিদিয়াকৈয়ো থকা নাই। মমতাজ চৰিত্ৰৰ মোহনীয় দিশ এইটোৱে।

কাঠফুলা গল্পৰ বেদানাৰ চৰিত্ৰটো অসমীয়া সাহিত্যৰ বিশিষ্ট নাৰী চৰিত্ৰ। মালিকৰ "সুৰুযমুখী স্বপ্ন" উপন্যাসৰ কপাহী চৰিত্ৰৰ দৰে কাঠফুলা গল্পৰ বেদানাও এটা মুক্ত (Round) চৰিত্ৰ। মুক্ত চৰিত্ৰৰ লক্ষণেই হৈছে পাঠকক আচৰিত কৰি তোলা। মুক্ত চৰিত্ৰই বিচিত্ৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু অভাৱনীয় কাৰ্যৰে পাঠকক আচৰিত কৰি তোলা।[২৪] বেদানায়ো প্ৰথমতে নাৰীসুলভ সৰলতাৰে মমতাজৰ সৈতে যুগ্ম জীৱন যাপন কৰিব বুলি ধাৰণা দি শেষত ডাক্তৰৰ লগত গুচি গৈ পাঠকক আচৰিত কৰি তুলিলে। অৱশ্যে বেদানাৰ এনে কাৰ্যৰ মনঃস্তাত্ত্বিক ভিত্তি আছে। এগৰাকী সমালোচকে কৈছে — "Woman always and actively takes the initiative in Martimonial arrangements."[২৫] বেদানাৰ ক্ষেত্ৰতো এইষাৰ কথা সত্য

---

২১. Ceeil, Lord Devid : Preface to the English short stories of my time, P. XII.

২১. Wollheim, Richard : Freud, P. 107

* এই বিষয়ত বিস্তৃতভাৱে জানিবৰ বাবে চিগমাণ্ড ফ্ৰয়েডৰ "Theory of Senuality" পুথিখন নিৰ্ভৰযোগ্য।

২৩. প্ৰেম, যৌন আকৰ্ষণ আৰু যৌন বাসনাৰ বিষয়ে সম্যক জ্ঞানৰ বাবে Andre Maurosis ৰ "Seven Faces of love" পুথিখন দ্ৰষ্টব্য।

২৪. Forster, E. M. : Aspects of the Novel, P. 85

২৫. Brown, I. : Show in his times, P. 90

প্ৰতিপন্ন হয়। কাৰণ নাৰী হিচাপে বেদানাৰ বাবে কেৱল ভাত কাপোৰ আৰু আশ্ৰয়েই জীৱনৰ একমাত্ৰ সমল নহয়। জীৱনৰ স্থায়ী নিৰাপত্তা আৰু অস্তিত্ব ৰক্ষাৰ বাবে এজন পুৰুষক যৌন সম্পৰ্কেৰে গ্ৰহণ কৰিব খুজিয়ে বেদানাই মমতাজক এৰি ডাক্তৰৰ সৈতে গুচি গ'ল। কাৰণ বহুদিন একেলগে থাকি বেদানাই মমতাজৰ উদাসীনতা বুজি পাইছিল আৰু আনহাতে ডাক্তৰৰ পুৰুষ সুলভ নাৰী আকৰ্ষণৰ সম্ভেদ পাইছিল।

কাঠফুলা গল্পৰ ভাৱ-বস্তুত আৰু এটা বিশেষত্ব লক্ষ্য কৰা যায়। সেয়া হ'ল আৱেগিক ৰোমাণ্টিকতাৰ বিদায় আৰু বাস্তৱবাদী দৃষ্টিভঙ্গীৰ দ্বাৰ উন্মোচনৰ আগজাননী। মমতাজে বেদানাক আৱিষ্কাৰ কৰাৰ পিছত যি ৰোমাণ্টিক ভাৱানুভূতিৰে আপ্লুত হৈছিল; তাৰেই তাড়ণাত এদিন মমতাজে তাৰ সৰু ঘৰটোৰ দুৱাৰত লেখি থৈছিল - – "বেদানা" বুলি। কিন্তু যিদিনা তাক এৰি বেদানা ডাক্তৰৰ লগত গুচি গ'ল; তেতিয়া সি সেই নামটো মোহাৰি নেপেলালে। বৰং "বেদনা' শব্দটোৰ পিছত নাই শব্দটো লেখি "বেদানা নাই" কৰি পেলালে। দৰাচলতে গল্পকাৰে ইয়াৰ এটা অন্তৰ্নিহিত অৰ্থ প্ৰকাশ কৰিবলৈ যত্ন কৰা যেন ধাৰণা হয়। কাৰণ বেদানাই বাস্তৱবিমুখ আৱেগিক প্ৰেমত বান্ধ খাই থাকিব খোজা নাই। বেদানা ৰোমাণ্টিক সুখ স্বপ্নৰ বিপৰীতে বাস্তৱ জগত খনৰ ফালে গুচি গ'ল। আচলতে "বেদানা নাই" এই শব্দ দুটাৰ অন্তৰ্নিহিত অৰ্থই যেন ৰোমাণ্টিকতাৰ বিদায় ঘোষণা কৰিলে আৰু বাস্তৱবাদৰ দুৱাৰখনৰো উন্মোচন কৰাৰ বাতৰি এটা দিলে। কাঠফুলা গল্পটোৰ ৰচনাৰ সময় ছোৱাও এনে সন্ধিক্ষণৰে সময়। ভাৰতৰ স্বাধীনতা লাভৰ আগৰ প্ৰায় এক দশক মানৰ পৰাই অসমীয়া সাহিত্যত ৰোমাণ্টিকতাৰ সুঁতি ক্ষীণ হৈ আহিছিল আৰু বাস্তৱবাদী সাহিত্যৰ বুনিয়াদ ৰচনা হৈছিল। অসমীয়া সাহিত্যৰ এই সন্ধিক্ষণৰ নতুন বাণীটো শুনা যায় কাঠফুলা গল্পত।

মালিকৰ কাঠফুলা গল্পত গল্পকাৰ গৰাকীৰ দৃষ্টিভঙ্গী অথবা বক্তব্যটো নগ্নৰূপত প্ৰকাশ পোৱা নাই। বক্তব্যটো নগ্ন হোৱা হ'লেই গল্পটোৱে কলাৰ সৌন্দৰ্য হেৰুৱালেহেঁতেন। গল্পটোৰ নামকৰণ এটা ব্যঞ্জনাৰ্থ আছে। বাস্তৱবিমুখ ৰোমাণ্টিক সুখ-স্বপ্নাতুৰ চৰিত্ৰ মমতাজৰ জীৱন বাস্তৱ মূল্যবোধৰ ওচৰত কাঠফুলা সদৃশ। এনে ব্যঞ্জনাৰ্থ গল্পটোৰ কেন্দ্ৰীয়ভাৱ। এই কেন্দ্ৰীয় ভাৱবস্তুক নিগূঢ় কল্পনাৰে গল্পৰূপ দিওঁতে উদ্দেশ্যৰ একমুখিতা আৰু ফলশ্ৰুতি অতি নিখুঁতভাৱে ৰক্ষা হৈছে। এনেবোৰ কাৰণতে মালিকৰ কাঠফুলা গল্প শিল্পগুণেৰে সমৃদ্ধ হৈ উঠিল।